# Video Conference of Leaders of SAARC Countries

March 16, 2020

---

## ছাৰ্ক ৰাষ্ট্ৰসমূহৰ নেতাসকলৰ ভিডিঅ কনফাৰেন্স

মাৰ্চ 16, 2020

1. সম্প্ৰতি বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা মহামাৰী হিচাপে অভিহিত হোৱা কোভিড-১৯ৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিমন্ত্ৰণ মৰ্মে মাৰ্চ 15, 2020 তাৰিখ, দেওবাৰে দক্ষিণ এচিয়া আঞ্চলিক সহযোগিতাৰ সংস্থা(ছাৰ্ক)ৰ নেতাসকলে ভিডিঅ কনফাৰেন্স যোগে মিলিত হয়।

2. এই সভাই নেতাসকলক মহামাৰীৰ সন্দৰ্ভত বৰ্তমান পৰিস্থিতিৰ পৰিমাপসমূহৰ বিনিময় কৰাৰ কাৰণে উত্তম অভ্যাসসমূহক বিবেচনা কৰিবলৈ, আৰু জন আতংক প্ৰতিহত কৰি আৰু সাম্ভাব্য অৰ্থনৈতিক প্ৰভাৱসমূহক হ্ৰাস কৰি প্ৰত্যেকখন দেশেই ৰোগৰ সংক্ৰমণক কম কৰা আৰু উপশম কৰাৰ কাৰণে সহযোগিতামূলক পদ্ধতি আৰু পদক্ষেপসমূহক চিহ্নাক্ত কৰিবলৈ সক্ষম কৰে। এই ভিডিঅ কনফাৰেন্সত ভাৰতৰ প্ৰধান মন্ত্ৰীৰ সৈতে আফগানিস্তান, মালদ্বীপ আৰু শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি, বাংলাদেশ, নেপাল আৰু ভূটানৰ প্ৰধান মন্ত্ৰী, পাকিস্তানৰ ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী আৰু ছাৰ্কৰ মহাসচিবে অংশগ্ৰহণ কৰে।

3. নেতাসকলে এই পদক্ষেপৰ কাৰণে প্ৰশংসা ব্যক্ত কৰাৰ লগতে এই সাধাৰণ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ আঞ্চলিক সহযোগিতাৰ গুৰুত্বক স্বীকৃতি দিয়ে। প্ৰধান মন্ত্ৰী মোদীয়ে ৰেখাংকিত কৰাৰ দৰে, জটিল আন্তঃসীমা প্ৰত্যাহ্বানক মোকাবিলা কৰিবলৈ আঞ্চলিক সহযোগিতাৰ কাৰণে ছাৰ্ক ক্ষেত্ৰই বিশ্বৰ কাৰণে এক উদাহৰণ স্থাপন কৰিব পাৰিব। তেখেতে কোভড-১৯ৰ কাৰণে ছাৰ্ক জৰুৰীকালীন সঁহাৰি পুজি গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়াই, প্ৰাথমিক অৱস্থাত ভাৰতে ১কোটি মাৰ্কিন ডলাৰ দিয়াৰ কথা অৱগত কৰে। পৰৱৰ্তী পৰ্যায়ত এই মহামাৰীৰ প্ৰভাৱৰ মূল্যাংকন কৰিবলৈ ভাৰতে লগতে ছাৰ্ক অঞ্চলৰ চিকিত্সা বিশেষজ্ঞসকলৰ লগতে বাণিজ্য আৰু অৰ্থনৈনিক অধিকাৰীসকলৰ মাজত অনুৱৰ্তী আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়। ভাৰতে বিশেষভাৱে গঠিত চিকিত্সা আৰু অন্যান্য বিশেষজ্ঞসকলৰ দ্ৰুত সঁহাৰি দল, আৰু পৰীক্ষাৰ সা-সৰঞ্জামসমূহ যিকোনো ছাৰ্ক অংশীদাৰ দেশলৈ মোতায়ন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। অনলাইন প্ৰশিক্ষণ মডিউলৰ জৰিয়তে ছাৰ্ক দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰত কোভিড-১৯ৰ সৈতে মোকাবিলা কৰিবলৈ উত্তম অনুশীলনৰ কোষ স্থাপন আৰু প্ৰত্যেকটো ছাৰ্ক ভাষাতে তথ্য সম্বলিত এক ৱেবছাইট সহ দক্ষতা বৃদ্ধিৰ কাৰণেও সহায়ৰ তথা উল্লেখ কৰে। ভাৰতে লগতে ৰোগ নিৰীক্ষণৰ সু-সংহত স্বাস্থ্য তথ্যৰ কাৰণে ছফটৱেৰ প্ৰস্তাৱো আগবঢ়ায়।

4. আগলৈ, মহামাৰীৰ কাৰণে ডায়াগ্নষ্টিক আৰু ভেষজ  হস্তক্ষেপৰ মত বিনিময় কৰিবলৈ ছাৰ্ক ৰাজ্যসমূহৰ এক মঞ্চৰ কাৰণে ভাৰতে চিকিত্সা গৱেষণাৰ ভাৰতীয় পৰিষদ(আই চি এম আৰ)ৰ দ্বাৰা সমৰ্থন দিয়াৰ কথাও উল্লেখ কৰে।

5. ছাৰ্ক ৰাষ্ট্ৰসমূহৰ ৰাজ্যপ্ৰমুখ আৰু চৰকাৰে এই ধাৰণাসমূহক স্বাগতম জনাই আৰু কোভিড-১৯ মহামাৰীৰ সৈতে একত্ৰিত হৈ কাম কৰাৰ গুৰুত্বৰ কথা পুনৰ ব্যক্ত কৰে।

**নতুন দিল্লী**
**মাৰ্চ 16, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.